# গৌহাটী উচ্চ ন্যায়ালয়

(ন্যায়াধীশ ডি. এন. বৰুৱাৰ বিচাৰপীঠত)

**দেৱানী পুনৰীক্ষণ গোচৰ নং ১১৪/১৯৮৭**

০৬/০৮/১৯৯২ তাৰিখে নিষ্পত্তি কৰা হয়।

আবেদনকাৰীঃ সুশীল কুমাৰ সাহা

বনাম

অপৰ পক্ষঃ জুৰান চন্দ্ৰ সাহা

এই গোচৰত হাজিৰ হোৱা অধিবক্তাসকলঃ

আবেদনকাৰীৰ বাবে শ্ৰী এ.চি.শৰ্মা।

অপৰ পক্ষৰ বাবে কোনেও হাজিৰ হোৱা নাই।

**ৰায়দান আৰু আদেশ**

এই পুনৰীক্ষণ গোচৰ ধুবুৰীৰ সহকাৰী জিলা ন্যায়াধীশে বিবিধ আপীল নং ১২/১৯৮৬ত ২৩/০২/৮৭ তাৰিখে দিয়া ৰায়দানৰ বিৰুদ্ধে দাখিল কৰা হৈছিল যাৰ যি ৰায়ৰ দ্বাৰা আপীল গোচৰটো খাৰিজ কৰা হৈছিল আৰু স্বত্ত গোচৰ নং ৬৮৯/১৯৮২ৰ পৰা উদ্ভৱ হোৱা বিবিধ গোচৰ নং ৭৬/১৯৮৪ত ধুবুৰীৰ প্ৰথম মুনচিফৰ ২৪/০২/৮৬ তাৰিখৰ ৰায়দানক সুনিশ্চিত কৰা হৈছিল।

২) অপৰ পক্ষই বিবাদীয় জমিৰ ওপৰত স্বত্ত ঘোষণা আৰু খাছ দখলৰ বাবে স্বত্ত গোচৰ দাখিল কৰিছিল। যথাসময়ত আবেদনকাৰীলৈ চমন জাৰি কৰা হৈছিল। ২৫/১১/৮২ তাৰিখে এই গোচৰ দাখিল কৰা হয় আৰু ২৭/১১/৮২ তাৰিখে আঁৰি থৈ চমন জাৰি কৰা হয়। জাৰিকাৰকে অপৰ পক্ষৰ পত্নীয়ে চিনাক্ত কৰা মতে চমন প্ৰদান কৰিছিল আৰু যেতিয়া আবেদনকাৰীক চমন গ্ৰহণ কৰিবলৈ কোৱা হৈছিল তেতিয়া তেওঁ চমন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু সেই কাৰণে জাৰিকাৰকে চমনৰ প্ৰতিলিপি তেওঁৰ ঘৰৰ মূল দুৱাৰত লগাই দিছিল। চমনৰ এটা প্ৰতিলিপি জাৰিকাৰকে তেওঁৰ প্ৰতিবেদনৰ সৈতে ঘূৰাই দিছিল। উক্ত প্ৰতিবেদন অনুসৰি আবেদনকাৰীয়ে চমন ল'বলৈ অস্বীকাৰ কৰে। আঁৰি থৈ চমন জাৰি কৰাৰ সময়ত কোনো স্বতন্ত্ৰ আৰু নিস্বাৰ্থ সাক্ষী উপস্থিত নাছিল। তেনেধৰণে চমন জাৰি কৰাৰ পিছত পূৰ্বে নিৰ্ধাৰণ কৰা অনুসৰি ২২/১২/৮২ তাৰিখে গোচৰটো উপস্থাপন কৰা হয় আৰু উক্ত প্ৰতিবেদনৰ ভিত্তিত মুনচিফে ঘূৰাই দিয়া চমন গ্ৰহণ কৰি গোচৰ একতৰফা চলাৰ আদেশ জাৰি কৰে। ইয়াৰ পিছত গোচৰত একতৰফা ডিক্ৰী দিয়া হয়। একতৰফা ডিক্ৰীৰ বিষয়ে জানিবলৈ পাই আবেদনকাৰীয়ে দেৱানী কাৰ্যবিধি আইনৰ আদেশ ৯ম নিয়ম ১৩ৰ অধীনত একতৰফা ডিক্ৰী ৰদ কৰাৰ বাবে আবেদন দাখিল কৰে এই ভিত্তিত যে তেওঁক চমন দিয়া হোৱা নাছিল আৰু আচলতে আবেদনকাৰী তেওঁৰ বাসগৃহত নাছিল আৰু সেই সময়ত তেওঁৰ বাসগৃহত তেওঁৰ লগত কোনো ব্যক্তি বাস কৰা নাছিল।

৩) অপৰ পক্ষই চাৰিজন সাক্ষীৰ সাক্ষ্য প্ৰদান কৰিছিল, অৰ্থাৎ তেওঁৰ পত্নী, জাৰিকাৰক আৰু আন দুজন। আবেদনকাৰীয়ে নিজকে আৰু আন এজন সাক্ষীৰ সাক্ষ্য প্ৰদান কৰিছিল। সাক্ষ্যৰ মূল্যায়নৰ পিছত মুনচিফে আবেদনকাৰীৰ গোচৰটো অবিশ্বাস কৰি একতৰফা ডিক্ৰী ৰদ কৰাৰ বাবে কৰা আবেদন নাকচ কৰে। সহকাৰী জিলা ন্যায়াধীশৰ আদালতত আপীল কৰা হৈছিল আৰু সহকাৰী জিলা ন্যায়াধীশেও ৰায়দান সুনিশ্চিত কৰি মত পোষণ কৰে যে আবেদনকাৰীয়ে তেওঁৰ গোচৰটো প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈছিল যে তেওঁৰ ওপৰত চমন যথাযথভাৱে জাৰি কৰা হোৱা নাছিল। আপীল আদালতে সাক্ষ্য মূল্যায়নৰ পিছত ৰায় দিছিল যে অপৰ পক্ষই কোৱা কাহিনীটো শুদ্ধ আৰু সেয়েহে চমন জাৰি হোৱা নাছিল বুলি ক'ব নোৱাৰি।

৪) দেৱানী কাৰ্যবিধি আইনৰ আদেশ ৫ত চমন জাৰি কৰাৰ বিভিন্ন ধৰণ নিৰ্ধাৰণ কৰা হৈছে। দেৱানী কাৰ্যবিধি আইনৰ আদেশ ৫ নিয়ম ১২ৰ অধীনত বিধান দিয়া হৈছে "য'তেই সম্ভৱ, বিবাদীক ব্যক্তিগতভাৱে চমন জাৰি কৰা হ'ব, যদিহে তেওঁৰ চমন গ্ৰহণ কৰিবলৈ ক্ষমতাপ্ৰাপ্ত এজেন্ট নাথাকে, তেনে ক্ষেত্ৰত এনে এজেন্টৰ ওপৰত চমন জাৰি কৰাই যথেষ্ট হ'ব"। আকৌ যদি বিবাদীয়ে চমন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে বা বিবাদীক বিচাৰি পোৱা নাযায়, নিয়ম ১৭ৰ অধীনত তাৰ পদ্ধতি নিৰ্ধাৰণ কৰা হৈছে। আদেশ ৫ নিয়ম ১৭ত এইদৰে বিধান দিয়া হৈছঃ

“য’ত বিবাদী বা তেওঁৰ এজেন্ট বা পূৰ্বতে উল্লেখ কৰা আন ব্যক্তিয়ে স্বীকৃতিপত্ৰত স্বাক্ষৰ কৰিবলৈ অস্বীকাৰ কৰে বা য’ত জাৰিকাৰকে সকলো যথাযথ আৰু যুক্তিসংগত চেষ্টাৰ পিছত চমন জাৰি কৰিব বিচৰাৰ সময়ত বিবাদীক তেওঁৰ বাসগৃহত অনুপস্থিত পায় বা বিচাৰি নাপায় আৰু যুক্তিসংগত সময়ৰ ভিতৰত তেওঁক বাসগৃহত পোৱাৰ কোনো সম্ভাৱনা নাই আৰু তাত তেওঁৰ হৈ চমন গ্ৰহণ কৰাৰ কোনো ক্ষমতাপ্ৰাপ্ত এজেন্ট নাই বা আন কোনো ব্যক্তি নাই যাক চমন দিব পৰা যায়, জাৰিকাৰকে চমনৰ প্ৰতিলিপি বাহিৰৰ দুৱাৰত বা ঘৰৰ আন কোনো লক্ষণীয় অংশত য'ত প্ৰতিবাদীয়ে সাধাৰণতে বাস কৰে বা ব্যৱসায় কৰে বা ব্যক্তিগতভাৱে লাভৰ বাবে কাম কৰে, আঁৰি দিব কৰিব লাগিব আৰু তাৰ পিছত মূল চমনখন সেই আদালতলৈ ঘূৰাই দিব লাগিব য'ৰ পৰা ইয়াক জাৰি কৰা হৈছিল আৰু লগতে জাৰিকাৰকে এক প্ৰদিবেদন দাখিল কৰিব য'ত উল্লেখ থাকিব যে তেওঁ কেনে পৰিস্থিতিত চমন আঁৰি দিছিল, ঘৰটো কোনে চিনাক্ত কৰিছিল (যদি থাকে) আৰু কাৰ উপস্থিতিত চমন আঁৰি দিছিল।”

৫) আদেশ ৫, নিয়ম ১৭ৰ অধীনত নিৰ্ধাৰিত পদ্ধতিৰে চমন জাৰি কৰাৰ পিছত জাৰিকাৰকে মূল চমনত চমন কেতিয়া আৰু কেনেকৈ চমন জাৰি কৰিছিল সেয়া উল্লেখ কৰি এক শপতবাক্য প্ৰদান কৰিব। উক্ত আদেশৰ নিয়ম ১৯ অনুসৰি য’ত নিয়ম ১৭ৰ অধীনত চমন ঘূৰাই দিয়া হয়, তেনে ক্ষেত্ৰত যদি সেই নিয়মৰ অধীনত চমন ঘূৰাই দিয়াটো

জাৰিকাৰকৰ শপতনামাৰ দ্বাৰা সত্যাপিত হোৱা নাই, আদালতে শপতৰ সৈতে জাৰিকাৰকৰ সাক্ষ্য গ্ৰহণ কৰিব আৰু সত্যাপিত হলেও আদালতে শপতৰ সৈতে জাৰিকাৰকৰ সাক্ষ্য গ্ৰহণ কৰিব পাৰিব বা আন আদালতত গোচৰটো সংক্ৰান্তত জাৰিকাৰকৰ সাক্ষ্য লোৱাৰ ব্যৱস্থা কৰিব আৰু উপযুক্ত বুলি ভবা ধৰণে অধিক তদন্ত কৰিব পাৰে আৰু চমন যথাযথভাৱে জাৰি কৰা হৈছে বুলি ঘোষণা কৰিব বা উপযুক্ত বুলি ভবাৰ দৰে চমন জাৰিৰ নিৰ্দেশ দিব।

৬) ওপৰত উল্লেখ কৰা নিয়মসমূহৰ উদ্দেশ্য হৈছে অসাধু বাদীক হ্ৰস্বতৰ পদ্ধতিৰে ডিক্ৰী পোৱাৰ পৰা বিৰত ৰখা। জাৰিকাৰকৰ সৈতে গোপন বুজাবুজি কৰি বাদীয়ে ভুৱা ঘোষণা কৰি একতৰফা শুনানিৰ বাবে আদেশ লাভ কৰা দৃষ্টান্ত বিৰল নহয়। এনে ক্ষেত্ৰত আদালতে আঁৰি থৈ চমন জাৰি কৰাটো মানি লোৱাত সাৱধান হ'ব লাগে।

৭) মই আদেশ পৃষ্ঠা পঢ়ি চাইছো। গোচৰটো ২৫/১১/৮২ তাৰিখে দাখিল কৰা হৈছিল আৰু পৰৱৰ্তী তাৰিখটো ২২/১২/৮২ হিচাপে নিৰ্ধাৰণ কৰা হৈছিল। কৌতুহলজনকভাৱে, জাৰিকাৰকে অতি সোনকালে দুদিনৰ পিছত অৰ্থাৎ ২৭/১১/৮২ তাৰিখত চমনটো জাৰি কৰিছিল, সেইটোও অপৰ পক্ষৰ বাসগৃহত চমনৰ প্ৰতিলিপি আঁৰি থৈ। নথিৰ পৰা দেখা যায় যে চমন ঘূৰাই দিয়াটো জাৰিকাৰকৰ শপতনামাৰ দ্বাৰা সত্যাপিত কৰা হোৱা নাই বা আদালতেও চমনটো যথাযথভাৱে জাৰি কৰা হৈছে নে নাই সেইটো নিশ্চিত কৰিবলৈ জাৰিকাৰকৰ সাক্ষ্য লিপিবদ্ধ কৰিবলৈ কোনো

চেষ্টা কৰা নাই। ইয়াৰ উপৰিও আদালতে প্ৰত্যাখ্যানৰ কথাটো শুদ্ধ কাহিনী আছিল নে নহয় সেইটো নিৰ্ণয় কৰাৰ চেষ্টা কৰা নাই।

৮) জাৰিকাৰকে আবেদনকাৰীক অপৰ পক্ষৰ পত্নীয়ে চিনাক্ত কৰা মতে চমন প্ৰদান কৰা বুলি দাবী কৰিছিল। উপস্থিত থকা আন দুজন সাক্ষীৰ এজন আছিল অপৰ পক্ষৰ ঘনিষ্ঠ আত্মীয় আৰু আনজনৰ বিৰুদ্ধে গোচৰ চলি আছিল। এই সকলোবোৰ তথ্য নিশ্চিত নকৰাকৈয়ে নিম্ন আদালতে পিছদিনা তৎক্ষণাত চমন জাৰি হোৱা বুলি মানি লৈছিল, আনকি আদালতে মানি চলিবলগীয়া আইনৰ বিধানসমূহকো আওকাণ কৰিছিল। চমন কেনেকৈ জাৰি কৰা হৈছিল সেয়া দেখি মই স্তম্ভিত হৈ পৰিছো। গোচৰ দাখিল কৰাৰ দুদিন পিছত জাৰিকাৰকে অতি সোনকালে চমনটো জাৰি কৰে আৰু আদালতে অধিক তদন্ত নকৰাকৈয়ে চমনটো জাৰি হোৱা বুলি মানি লয়। এই তথ্যবোৰ সন্দেহৰ বাহিৰত বুলি ক'ব নোৱাৰি। নিম্ন আদালতে চমনটো যি ধৰণেৰে জাৰি কৰা হৈছিল সেইদৰে জাৰি হোৱা বুলি মানি লোৱা উচিত নাছিল। আপীল আদালতেও এই সকলোবোৰ তথ্য আৰু আইনৰ বিধানসমূহ আওকান কৰি গোচৰ পুনৰুদ্ধাৰৰ বাবে কৰা আবেদন নাকচ কৰে। এইদৰে নিম্ন আদালতসমূহে একতৰফা ডিক্ৰীটো ৰদ কৰাৰ আবেদন গ্ৰহণ নকৰাৰ বাবে আদালতৰ ওপৰত নিহিত বিচাৰ ক্ষমতা প্ৰয়োগ কৰাত ব্যৰ্থ হয়।

৯) দেৱানী নিয়ম আৰু আদেশ (খণ্ড-১ম)ৰ নিয়ম ৬৪(১)ৰ অধীনতো কমেও দুজন স্বতন্ত্ৰ স্থানীয় সাক্ষীৰ উপস্থিতিত চমন জাৰি

কৰাটো প্ৰয়োজনীয়। দেৱানী নিয়ম আৰু আদেশ (খণ্ড-২য়)ৰ প্ৰপত্ৰ নং (পি)১-এ, পৃষ্ঠা ২৫৮, টোকা ৩ত উল্লেখ কৰা হৈছে যে এনে চমন জাৰি কমেও দুজন স্বতন্ত্ৰ স্থানীয় সাক্ষীৰ উপস্থিতিত হ'ব লাগিব। এইবোৰ তলৰ আদালতসমূহে একেবাৰেই বিবেচনা কৰা নাছিল।

ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি আবেদনকাৰীৰ বিজ্ঞ অধিবক্তা শ্ৰী এ.চি. শৰ্মাৰ যুক্তিত বল বিচাৰি পাও। সেই অনুসৰি মই আবেদনখন মঞ্জুৰ কৰো আৰু একতৰফা ডিক্ৰীটো বাতিল কৰো। যিহেতু আবেদনকাৰীয়ে ইতিমধ্যে এই গোচৰৰ বিষয়ে জানিব পাৰিছে, সেয়েহে তেওঁক কোনো নতুন জাননী প্ৰদান কৰাৰ প্ৰয়োজন নাই। পক্ষসমূহে তাৰিখ ল'বলৈ ০৭/০৯/১৯৯২ তাৰিখে ধুবুৰীৰ প্ৰথম মুনচিফৰ সন্মুখত হাজিৰ হ'ব।

আবেদন মঞ্জুৰ কৰা হ'ল। কোনো খৰচ নাই।

গোচৰৰ নথি তৎক্ষণাত ঘূৰাই পঠাওক।

অনুবাদকঃ

মোঃ ছফিজুৰ ৰহমান

মুখ্য অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”